দিনাংক- ২৮ এপ্ৰিল ২০১৪

## অভিযানসূচী- ২৮ এপ্ৰিল ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

ডঃ ফাৰুক আব্দুলাৰ মন্তব্য যে যিসকল লোকে নৰেন্দ্ৰ মোদীক ভোট দিব তেওঁলোক পানীত ডুবি মৰিব লাগে, এইয়া সকলোৰে গৰিহনাৰ যোগ্য । তেওঁৰ এনে মন্তব্যই সংখ্যা বলিষ্ঠ মতামত অৱমাননা কৰা পৰিলক্ষিত কৰোৱাইছে । ফাৰুক চাহেবে ঠিকেই ভাৱিছে যে ভাৰত ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ আৰু সাম্প্ৰদায়িক ৰাজনীতি কেতিয়াও গ্ৰহণ নকৰে ।

ক'ত কোৱা হৈছে যে, ভাৰতত ধৰ্মনিৰপেক্ষতা কেৱল এবাৰহে অসফল হোৱা দেখা গৈছে । আমাৰ দেশৰ বিভিন্ন প্ৰান্তত সাম্প্ৰদায়িক হিংসা সংঘটিত হৈছে । তথাপিও ভাৰতীয় সমাজে এনে হিংসাত্মক কাণ্ড সোনকালে মনৰ পৰা আতঁৰাই সাধাৰন জীৱন অতিবাহিত কৰে । ফাৰুক আব্দুলাৰ নিজৰ ৰাজ্য কাশ্মীৰতহে ধৰ্মনিৰপেক্ষতা বেয়াকৈ অসফল হৈছে । ভাৰতে সাম্প্ৰদায়িক হিংসাৰ সাক্ষী কেৱল এখন ৰাজ্যতহে হৈছে, সেইয়া হৈছে কাশ্মীৰ য'ৰ কাশ্মীৰী পণ্ডীতৰ এটা সমুদায়ক কাশ্মীৰৰ পৰা ওলিয়াই দিয়া হৈছিল । এনে ধৰণৰ সাম্প্ৰদায়িক ৰাজনীতি ভাৰতে কেতিয়াও গ্ৰহণ নকৰে । মই বহুত সুখী হৈছিলো যেতিয়া ফাৰুক আব্দুলা চাহেবে কৈছিল যে কাশ্মীৰি লোকে কেতিয়াও সাম্প্ৰদায়িক ৰাজনীতি গ্ৰহন নকৰে । কিন্তু কাশ্মীৰে কাশ্মীৰি পণ্ডিতৰ পুন:সংস্থাপনৰ বাবে সুবিধা আগবঢ়াবনে ?

নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হিচাপে ভাৰতৰ জনগণে ভোটদান কৰিব । ইয়াৰ ববে কোনোৱে সাগৰত জপিয়াব নালাগে । কিন্তু যদি কশ্মীৰি পণ্ডিতক ফাৰুক চাহেব আৰু তেওঁৰ দলে কাশ্মীৰ'লৈ ঘূৰাই আনিব নোৱাৰে, তেন্তে পয়াচিত্ত হিচাপে দাললেকত এবাৰ হ'লেও ডুব লগাব লাগে ।

**শ্ৰীমতী বাড্ৰাৰ ভাষাৰ পৰিসৰ**

শ্ৰীমতী বাড্ৰাই ঘোষণা কৰিছে যে তেওঁ কাকো ভয় নকৰে । তেওঁ বিজেপি ৰ তুলনা ভোকাতুৰ নিগনিৰ লগত কৰিছে ।

পৰিয়াল বৰ্গই নিজৰ প্ৰতিনিধিক নিৰ্বাচনত সহায় কৰিব লাগে । প্ৰাৰ্থীয়ে আগতীয়াকৈ বহুতো কাৰ্য্যত ব্যস্ত হৈ থাকে । পৰিয়াল বৰ্গই সেই ব্যস্ততাৰ সময়খিনিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী কাৰ্য্যালয় অথবা প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে । পৰিয়ালৰ সদস্যই ৰাজনীতিৰ কাৰ্য্যকৰ্ত্তাৰ লগত ভাল ব্যৱহাৰ কৰিব'লৈ ইতিমধ্যে নিৰ্দেশ দিয়া থাকে । তেওঁলোকক অনুৰুধ কৰা হয় যে বিৰুধী দলৰ বিৰুদ্ধে অমাণ্য শব্দৰ ব্যৱহাৰ কৰিব নালাগে ।

শ্ৰীমৰী বাড্ৰাই এনে ধৰণৰ মন্তব্য দি ৰাজনীতিৰ পৰিবেশ বেয়া কৰিছে । ভাষাৰ ব্যৱহাৰৰ জড়িয়তে বহুতো কঠোৰ মনোভাৱ ভালদৰেও প্ৰস্তুত কৰিব পৰা যায় ।

শ্ৰীমতী বাড্ৰাই ঠিকেই কৈছে যে তেওঁলোকে কাকো ভয় কৰিব নালাগে । তেওঁলোকে কেৱল আইনকহে ভয় কৰিব লাগে । বাড্ৰাৰ পৰিয়াল যিমানেই ডাঙৰ নহওঁক কিয় আইন সকলোৰে ওপৰত । ধনী অথবা বিখ্যাত, আইনে কাকো নেৰে । মোৰ পৰিয়ালৰ কোনো সদস্যই যদি মোৰ বিৰুধী দলক নিগনি অথবা জীৱ-জন্তু বুলি সম্বোধন কৰে, তেন্তে মই চিন্তিত হোৱাতো স্বাভাৱিক ।